# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 17-02-2025
**Time :** 1715 Hrs

## *Assamese Evening Bulletin*

**- - - - - - - - - - - - - - -**

কোকৰাঝাৰৰ বিটিচিৰ বিধায়িনী ভৱনত আজি ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যৰ ভাষণেৰে অসম বিধানসভাৰ বাজেট অধিৱেশনৰ প্ৰথম দিনাৰ কাৰ্যসূচী আৰম্ভ হয়।

ৰাজ্যপালগৰাকীয়ে তেওঁৰ ভাষণত ৰাজ্যৰ অৰ্থনৈতিক বিকাশ, কল্যাণমূলক আঁচনি তথা সম্প্ৰতি ৰাজ্যখনে বিভিন্ন ক্ষেত্ৰত লাভ কৰা সাফল্যৰ বিষয়ত আলোকপাত কৰে। শ্ৰীআচাৰ্যই কয়, যে বিগত দশকত অসমে ১২ দশমিক ৬ শতাংশ চক্ৰবৃদ্ধি বাৰ্ষিক বিকাশৰ হাৰৰ জৰিয়তে অৰ্থনৈতিক বিকাশত উল্লেখনীয় অগ্ৰগতি লাভ কৰিছে। তেওঁ লগতে কয়, যে অসমে গুজৰাটৰ সমানে দেশৰ ছেমি কণ্ডাক্টৰ উদ্যোগত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰাৰ দিশে অগ্ৰসৰ হৈছে। বিটিআৰ চৰকাৰে আন্তঃগাঁথনি উন্নয়ন তথা কল্যাণমূলক আঁচনিৰ ৰূপায়ণৰ জৰিয়তে জনসাধাৰণৰ উন্নয়ন সাধন কৰিবলৈ সমৰ্থ হৈছে বুলি উল্লেখ কৰি ৰাজ্যপালগৰাকীয়ে কয়, যে গুড উইল অভিযানৰ অধীনত বিটিআৰত ৭০০ কিলোমিটাৰ উন্নত পথ যোগাযোগ ব্যৱস্থা সম্পূৰ্ণ কৰাৰ লগতে ২০২২-২৩ বৰ্ষৰ পৰা মুখ্যমন্ত্ৰী পথ নৱীকৰণ আঁচনিৰ অধীনত ৪০০ কিলোমিটাৰ পথ নিৰ্মাণ কৰা হৈছে।

ৰাজ্যপালগৰাকীয়ে তেওঁৰ ভাষণত অসমীয়া ভাষাই লাভ কৰা ধ্ৰুপদী ভাষাৰ মৰ্যাদা, চৰাইদেউ মৈদামলৈ বিশ্ব ঐতিহ্য ক্ষেত্ৰৰ স্বীকৃতি আদি বিভিন্ন প্ৰসংগ উল্লেখ কৰে। তদুপৰি অসম চৰকাৰে ইতিমধ্যে ২৪ লাখৰো অধিক মহিলালৈ আগবঢ়োৱা অৰুণোদয় আঁচনিৰ সুবিধা, ষ্টাৰ্টআপ প্ৰতিষ্ঠানলৈ আগবঢ়োৱা উৎসাহজনক সহায়-সহযোগৰ বিষয়েও তেওঁ জানিবলৈ দিয়ে।

শ্ৰীআচাৰ্যই মুখ্যমন্ত্ৰী আত্মনিৰ্ভৰ অসম অভিযান, মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা অভিযান, পি এম কিষাণ সন্মান নিধি, আয়ুষ্মান ভাৰতকে ধৰি বৰ্তমানৰ চৰকাৰৰ বিভিন্ন ইতিবাচক পদক্ষেপৰ বিষয়ে উল্লেখ কৰি কয়, যে এনে আঁচনিসমূহে ৰাজ্যখনক ক্ৰমান্বয়ে দেশৰ আন অংশৰ সৈতে অধিক সক্ৰিয় তথা গতিশীলভাৱে জড়িত কৰিবলৈ সমৰ্থ হৈছে।

অভিলেখ সৃষ্টিৰ উদ্দেশ্যে অহা ২৪ ফেব্ৰুৱাৰীত আয়োজন কৰা ঝুমুৰ নৃত্যৰ বিশেষ অনুষ্ঠানটোৰ বিষয়ে উল্লেখ কৰি তেওঁ এই অনুষ্ঠানে অসমৰ সাংস্কৃতিক ক্ষেত্ৰখনক অধিক সমৃদ্ধ কৰিব বুলি আশা প্ৰকাশ কৰে। ৰাজ্যপালৰ ভাষণৰ মাজতে ৰাইজৰ দলৰ বিধায়ক অখিল গগৈয়ে কেতবোৰ প্ৰসংগ উত্থাপন কৰাৰ চেষ্টা চলাই যদিও ৰাজ্যপালে তেওঁৰ ভাষণ অব্যাহত ৰাখে। ৰাজ্যপালৰ ভাষণৰ পাছতে ডেৰ ঘণ্টাৰ বাবে সদন স্থগিত ৰখা বুলি অসম বিধানসভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰীয়ে ঘোষণা কৰে।

ইয়াৰ পূৰ্বে বাজেট অধিৱেশনৰ প্ৰথম দিনাৰ কাৰ্যসূচীত অংশগ্ৰহণ কৰাৰ উদ্দেশ্যে মন্ত্ৰী-বিধায়কসকল কোকৰাঝাৰত উপস্থিত হোৱাৰ পাছত তেওঁলোকক বিটিচিৰ বিধায়িনী ভৱনত আনুষ্ঠানিকভাৱে আদৰণি

জনোৱা হয়। অধিৱেশনৰ কাৰ্যসূচীৰ আৰম্ভণিতে  বিধানসভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰীয়ে আদৰণি ভাষণত কোকৰাঝাৰত এই অধিৱেশনৰ আয়োজন কৰা পদক্ষেপক ঐতিহাসিক বুলি অভিহিত কৰি ইয়াৰ বাবে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ শলাগ লয়।

উল্লেখযোগ্য যে বাজেট অধিৱেশনৰ বাকী কেইদিনৰ কাৰ্যসূচী গুৱাহাটীৰ অসম বিধানসভা ভৱনত অনুষ্ঠিত হ'ব। এই অধিৱেশনত ষষ্ঠ অনুসূচীৰ অন্তৰ্ভুক্ত অঞ্চলসমূহৰ আৰ্থ-সামাজিক আৰু সামগ্ৰিক উন্নয়ন, ২০২৪-২৫ বৰ্ষৰ পৰিপূৰক দাবী আৰু পৰিপূৰক বিনিয়োজনৰ তালিকা উপস্থাপন আদিকে ধৰি কেইবাটাও গুৰুত্বপূৰ্ণ দিশ উত্থাপন কৰা হ'ব।

ooooo

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি বিধানসভাত অসম লোকসেৱা আয়োগৰ ২০১৩ আৰু ২০১৪ চনৰ সংযুক্ত প্ৰতিযোগিতামূলক পৰীক্ষাৰ অনিয়ম সন্দৰ্ভত তদন্তৰ বাবে গঠন কৰা ন্যায়াধীশ বিপ্লৱ শৰ্মা আয়োগৰ প্ৰতিবেদন দাখিল কৰে। প্ৰথমবাৰৰ বাবে গুৱাহাটীৰ বাহিৰত আয়োজন কৰা অসম বিধানসভা অধিৱেশনে বড়ো জনগোষ্ঠী আৰু বিটিআৰ এলেকাত বসবাস কৰা জনসাধাৰণৰ প্ৰতি থকা ৰাজ্য চৰকাৰৰ দায়বদ্ধতাকে সূচাইছে বুলি মুখ্যমন্ত্ৰী শৰ্মাই মত ব্যক্ত কৰে। তেওঁ কয়, যে এই অধিৱেশনে জনমুখী সেৱাৰ প্ৰতি ৰাজ্য চৰকাৰৰ গুৰুত্ব প্ৰদানৰ দিশটোক পুনৰবাৰ প্ৰতীয়মান কৰিলে। তেওঁ এই অধিৱেশন সাফল্যমণ্ডিত কৰাৰ ক্ষেত্ৰত বিটিচি পৰিষদীয় চৰকাৰে আগবঢ়োৱা সহযোগিতাৰ বাবে ধন্যবাদ জ্ঞাপন কৰে। এই অধিৱেশনে বিটিআৰ এলেকা তথা সামগ্ৰিকভাৱে ৰাজ্যবাসীৰ আশা-আকাংক্ষা পূৰণত নতুন দিগন্তৰ সূচনা কৰিব বুলি মুখ্যমন্ত্ৰীয়ে মন্তব্য কৰে।

মুখ্যমন্ত্ৰী শৰ্মাই এই বাজেট অধিৱেশনত অংশগ্ৰহণৰ প্ৰাকমুহূৰ্তত সৰলপাৰা আৰু ভূটান সীমান্ত সংযোগী পথৰ নিৰ্মাণ সন্দৰ্ভত আয়োজিত এটা অনুষ্ঠানতো অংশ লয়। তেওঁ পূৰ্বতে দিয়া প্ৰতিশ্ৰুতি অনুসৰি এই পথ নিৰ্মাণ সন্দৰ্ভত লোকনিৰ্মাণ বিভাগৰ পৰা বিতং তথ্য গ্ৰহণ কৰে আৰু নিৰ্ধাৰিত সময় অনুসৰি এই নিৰ্মাণকাৰ্য সম্পূৰ্ণ কৰিবলৈ নিৰ্দেশ দিয়ে।

ooooo

গুৱাহাটী উচ্চ ন্যায়ালয়ে অনলাইন বিত্তীয় অনিয়মৰ গোচৰত তিনিজন অভিযুক্তৰ জামিন নাকচ কৰিছে। ডিব্ৰুগড় জিলাৰ বৰবৰুৱা থানাত ৰুজু হৈ থকা গোচৰৰ ভিত্তিত আজি উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ ৰবীন ফুকনৰ বিচাৰপীঠে বিশাল ফুকন, চুমি বৰা আৰু তেওঁৰ স্বামী তাৰ্কিক বৰাৰ জামিন নাকচ কৰে। উল্লেখযোগ্য যে ট্ৰেডিং অৰ্থাৎ অনলাইন বিত্তীয় লেনদেনত অনিয়মৰ গোচৰত কেন্দ্ৰীয় অনুসন্ধানকাৰী সংস্থাই পূৰ্বে এই তিনিজন অভিযুক্তক গ্ৰেপ্তাৰ কৰিছিল। পৰৱৰ্তী সময়ত উচ্চ ন্যায়ালয়ত আটাইকেইজনে জামিন লাভ কৰিছিল যদিও বৰবৰুৱা থানাত ৰুজু হৈ থকা গোচৰৰ পৰিপ্ৰেক্ষিতত তিনিওজন অভিযুক্তই কাৰাগাৰৰ পৰা মুকলি হ'ব পৰা নাছিল। আজি উচ্চ ন্যায়ালয়ে এই গোচৰটোত জামিন নাকচ কৰে।

ooooo

সমাপ্ত